**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 24-05-2025
**Time :** 1340 hrs

ASSAMESE MIDDAY BULLETIN

## HEADLINES

**::::::::::::::::::**

**Headline (24-05-2025) MID**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন দিল্লীত নীতি আয়োগৰ দশম পৰিচালন পৰিষদৰ বৈঠকত অধ্যক্ষতা কৰিছে।
২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আকাশবাণীৰ যোগে প্ৰচাৰিত মন কী বাত অনুষ্ঠানৰ জৰিয়তে কাইলৈ দিনৰ ১১ বজাত দেশ-বিদেশৰ লোকৰ সৈতে মত বিনিময় কৰিব।
৩। সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ শূন্য সহনশীলতাৰ স্থিতিক প্ৰচাৰৰ উদ্দেশ্যে বিজেপিৰ সাংসদ বৈজয়ন্ত পাণ্ডাৰ নেতৃত্বত এটা সৰ্বদলীয় প্ৰতিনিধিৰ দল আজি বাহৰেইনত উপস্থিত হৈছে।
৪। ভাৰতৰ তাৰকা খেলুৱৈ কিদাম্বি শ্ৰীকান্তে কুৱালালামপুৰত চলি থকা মালয়েছিয়া মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ ফাইনেলত প্ৰৱেশ কৰিছে।

*আৰু*

৫। আই পি এল টি টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাত আজি জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত পঞ্জাব কিংছ, দেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন দিল্লীত নীতি আয়োগৰ দশম পৰিচালন পৰিষদৰ বৈঠকত অধ্যক্ষতা কৰিছে। এই বৈঠকত অন্যান্যসকলৰ লগতে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথ, অন্ধ্ৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী চন্দ্ৰবাবু নাইডু, হিমাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী সুখৱিন্দৰ সিং ছুকু, মধ্য প্ৰদেশৰ মুখ্যমন্ত্ৰী মোহন যাদব আৰু চত্তিছগড়ৰ মুখ্যমন্ত্ৰী বিষ্ণু দেও সাই উপস্থিত আছে। কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ উপ ৰাজ্যপালসকল, কেন্দ্ৰীয় মন্ত্ৰীবৰ্গ আৰু নীতি আয়োগৰ উপাধ্যক্ষ, সদস্য তথা মুখ্য কাৰ্যবাহী বিষয়া এই বৈঠকত উপস্থিত আছে।

এই বছৰৰ বিষয়বস্তু হৈছে **২০৪৭ত বিকশিত ভাৰতৰ বাবে বিকশিত ৰাজ্য**। পৰিচালন পৰিষদে এই বিষয়বস্তুক কেন্দ্ৰ কৰি আলোচনাত মিলিত হৈছে। বৈঠকত দেশৰ উন্নয়নমূলক পৰিবৰ্তনসমূহৰ লগতে ভাৰতত এখন উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাত ৰাজ্যসমূহৰ ভূমিকা সন্দৰ্ভত আলোচনা হ'ব। বৈঠকত আলোচিত হ'বলগীয়া আন্যান্য বিষয়সমূহ আছে উদ্যমিতা বিকাশ, দক্ষতা বিকাশ আৰু দেশজুৰি বিস্তৃত নিয়োগৰ সুবিধা সৃষ্টি আদি।ooo

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আকাশবাণীৰ যোগে প্ৰচাৰিত মন কী বাত অনুষ্ঠানৰ জৰিয়তে কাইলৈ দিনৰ ১১ বজাত দেশ-বিদেশৰ লোকৰ সৈতে মত বিনিময় কৰিব। এয়া হ'ব আকাশবাণীৰ মাহেকীয়া অনুষ্ঠানটোৰ ১২২ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কত প্ৰচাৰিত হ'ব। এই অনুষ্ঠান AIR News ৱেবছাইট আৰু News on AIR ম'বাইল এপযোগেও শুনিব পৰা যাব। এয়াৰ নিউজ, ডিডি

নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য-সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলত এই অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ কৰা হ'ব। হিন্দী প্ৰচাৰৰ ঠিক পাছতে আকাশবাণীৰ বিভিন্ন কেন্দ্ৰই মন কী বাতৰ অসমীয়া ৰূপান্তৰ প্ৰচাৰ কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰই এই অনুষ্ঠানৰ অসমীয়া ভাঙনি প্ৰচাৰ কৰিব।

ooooo

বিজেপিৰ সাংসদ বৈজয়ন্ত পাণ্ডাৰ নেতৃত্বত সৰ্বদলীয় প্ৰতিনিধিৰ দল আজি বাহৰেইনত উপস্থিত হৈছে। দলটোৱে সকলোধৰণৰ সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ শূন্য সহনশীলতাক দেশখনৰ নেতৃবৰ্গৰ সন্মুখত তুলি ধৰিব। এই মুখামুখিত প্ৰতিনিধিদলটোৱে সীমান্তৰ সিপাৰৰ পৰা চলি থকা সন্ত্ৰাসবাদ সম্পৰ্কত ভাৰতৰ অনমনীয় স্থিতিৰ সন্দৰ্ভতো দেশখনক অৱগত কৰাব। সাংসদ পাণ্ডা আৰু অন্যান্যসকলক বিমান বন্দৰত বাহৰেইনত থকা ভাৰতৰ ৰাষ্ট্ৰদূত বিনোদ কে জেকবে আদৰণি জনায়। এই প্ৰতিনিধি দলটোত আছে বিদেশ সচিব হৰ্ষ বৰ্ধন শ্ৰিংলা, এ আই এম আই এমৰ সাংসদ আছাদুদ্দিন অ'ৱেইছি, ৰাজ্যসভাৰ সাংসদ ৰেখা শৰ্মা, জম্মু-কাশ্মীৰৰ প্ৰাক্তন মন্ত্ৰী গুলাম নবী আজাদ, ৰাজ্যসভাৰ সাংসদ সৎনাম সিং সান্ধু, বিজেপিৰ সাংসদ ফাংগন কন্যাক আৰু বিজেপিৰ সাংসদ নিশিকান্ত ডুবে। এই প্ৰতিনিধি দলটোৱে চৌদি আৰব, কুৱেইট আৰু আলজেৰিয়াও ভ্ৰমণ কৰিব।

কংগ্ৰেছ সাংসদ শশী থাৰুৰৰ নেতৃত্বৰ আন এটা উচ্চ পৰ্যায়ৰ সৰ্বদলীয় দল আজি পুৱা দিল্লীৰ পৰা ৫ খন দেশৰ কূটনৈতিক ভ্ৰমণৰ উদ্দেশ্যে ৰাওনা হৈছে। প্ৰথম পৰ্যায়ত দলটো গায়ানালৈ যাব। তাৰ পাছত ক্ৰমে আমেৰিকা যুক্তৰাষ্ট্ৰ, পানামা, ব্ৰাজিল আৰু কলম্বিয়া ভ্ৰমণ কৰিব। দিল্লীৰ পৰা ৰাওনা হোৱাৰ পূৰ্বে শ্ৰী থাৰুৰে সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ স্থিতি প্ৰকাশ কৰা এটা ভিডিঅ' সামাজিক মাধ্যমত আপলোড কৰে। তেওঁ এই অভিযানক শান্তি আৰু আশাৰ অভিযান হিচাপে অভিহিত কৰে।

ইপিনে জে ডি ইউৰ সাংসদ সঞ্জয় ঝাই নেতৃত্ব দিয়া আন এটা প্ৰতিনিধি দল জাপানত উপস্থিত হৈছে। দলটোৱে টকিঅ'ৰ ভাৰতীয় দূতাবাসত প্ৰবাসী ভাৰতীয়সকলৰ প্ৰতিনিধিৰ সৈতে মত বিনিময় কৰে। এই সমাবেশত শ্ৰী ঝাই ২২ এপ্ৰিলত হোৱা পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণত পাকিস্তানৰ ভূমিকা সন্দৰ্ভত ব্যাখ্যা কৰে। তেওঁ লগতে পাকিস্তান আৰু পাকিস্তান অধিকৃত কাশ্মীৰত থকা সন্ত্ৰাসবাদীৰ ঘাটি অপাৰেচন সিন্দুৰৰ জৰিয়তে কিদৰে উৎখাত কৰা হ'ল, সেই বিষয়েও জনায়। প্ৰতিনিধি দলটোৱে ভাৰতৰ সন্ত্ৰাসবাদৰ প্ৰতি শূন্য সহনশীলতাক স্পষ্ট কৰি দি কয় যে সন্ত্ৰাস আৰু আলোচনা একেলগে আগুৱাই নাযায়, তেজ আৰু পানী একেলগে বৈ নাযায়। তেওঁলোকে ভাৰতৰ স্থিতিক জাপানৰ প্ৰতিটো কোণতে প্ৰচাৰ কৰিবলৈ প্ৰবাসী ভাৰতীয়সকলক আহ্বান জনায়।

oooooo

ঝাৰখণ্ডত দুৰ্ধৰ্ষ মাওবাদী পাপ্পু লোহাৰাসহ তিনিজন মাওবাদী বিদ্ৰোহী পুলিচৰ সৈতে হোৱা সংঘৰ্ষত নিহত হয়। যোৱা নিশা লাতেহাৰ জিলাৰ ছলাইয়া অৰণ্যৰ সমীপত আৰক্ষীৰ সৈতে মাওবাদী দলৰ গুলিয়াগুলি হয়। নিহত পাপ্পু লোহাৰা আছিল ঝাৰখণ্ড জনমুক্তি পৰিষধ নামৰ নক্সাল সংগঠনটোৰ মুৰব্বী। চৰকাৰে তেওঁৰ ওপৰত ১০ লাখ টকাৰ নগদ পুৰস্কাৰ ঘোষণা কৰি থৈছিল। শীৰ্ষ আৰক্ষী বিষয়াই দাবী কৰা অনুসৰি ৰাজ্যখনত বৰ্তমান কিছুসংখ্য নক্সাল বিদ্ৰোহীহে সক্ৰিয় হৈ আছে।

ooooo

উত্তৰ পূবৰ ৰাজ্য মণিপুৰৰ উখৰুল জিলাত চলি থকা চিৰই লিলি উৎসৱৰ আজি সামৰণি পৰিব। এই উৎসৱ ২০ মে'ত আৰম্ভ হৈছিল আৰু আজি সন্ধিয়া বক্সি গ্ৰাউণ্ডত এই উৎসৱৰ সামৰণি পৰিব। ৰাজ্যখনৰ সংস্কৃতিৰ

সৈতে ওতঃপ্ৰোত সমন্ধ থকা চিৰই লিলিৰ প্ৰতি সজাগতা সৃষ্টিৰ উদ্দেশ্যে এই ৫ দিনীয়া উৎসৱৰ আয়োজন কৰা হৈছিল। সামৰণিৰ দিনা আজি বিভিন্ন সাংস্কৃতিক আৰু মনোৰঞ্জনমূলক অনুষ্ঠানৰ উপৰি চিনেমা প্ৰদৰ্শন, ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত খেল আৰু অন্যান্য কেতবোৰ কাৰ্যসূচী অনুষ্ঠিত হ'ব। চিৰই লিলি হৈছে মণিপুৰৰ ৰাজ্যিক ফুল। এটা ব্ৰিটিছ  দম্পতিয়ে তেওঁলোকৰ গৱেষণা চলাই থাকোতে ১৯৪৬ চনত এই দুষ্পাপ্য প্ৰজাতিৰ উদ্ভিদবিধ চিনাক্ত কৰিছিল। এই ফুল গছৰ   প্ৰজাতি বিশ্বৰ ভিতৰত কেৱল মণিপুৰৰ উখৰুল জিলাৰ চিৰই পাৰ্বত্য অঞ্চলতহে পোৱা যায়। ০০০০০

০০০০০০

উত্তৰ-পূব অঞ্চলৰ বিকাশ ত্বৰান্বিত কৰাত নবীকৰণযোগ্য শক্তিখণ্ডই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে বুলি নতুন আৰু নবীকৰণযোগ্য শক্তিমন্ত্ৰী প্ৰহ্লাদ যোশীয়ে প্ৰকাশ কৰিছে। নতুন দিল্লীত অনুষ্ঠিত ৰাইজিং নৰ্থ-ইষ্ট বিনিয়োগকাৰী সন্মিলনত শক্তিশালী ভাৰতৰ বাবে সেউজ উত্তৰ-পূব, নবীকৰণযোগ্য শক্তিৰ বিকাশ বিষয়ক মন্ত্ৰী পৰ্যায়ৰ সত্ৰত ভাষণ দি শ্ৰীযোশীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে বিগত ১১ বছৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত উত্তৰ-পূৱত অভূতপূৰ্ব উন্নয়ন পৰিলক্ষিত হৈছে। মন্ত্ৰীগৰাকীয়ে কয়, যে উত্তৰ-পূৱত অব্যৱহৃত নবীকৰণযোগ্য শক্তিৰ বিশাল সম্পদ আছে। তেওঁ কয়, যে শক্তিৰ বৃৰ্ধিত চাহিদাৰে এই প্ৰাকৃতিক সুবিধাসমূহৰ সহায়ত দেশৰ সেউজ বিকাশৰ পৰিকল্পনাসমূহত উত্তৰ-পূব অঞ্চলে গুৰুত্বপূৰ্ণ স্থান দখল কৰিছে।

উত্তৰ-পূবৰ পৰিৱৰ্তন তথা ইয়াৰ সম্ভাৱনাসমূহ ব্যৱহাৰৰ দিশত অংশগ্ৰহণ তথা বিনিয়োগৰ বাবে আগবাঢ়ি আহিবলৈ শ্ৰীযোশীয়ে উদ্যোগপতি তথা বিনিয়োগকাৰীসকলৰ প্ৰতি আহ্বান জনায়।

০০০০০০

শিক্ষা মন্ত্ৰ্যালয়ে দেশৰ ছাত্ৰ-ছাত্ৰী তথা যুৱ প্ৰজন্মক ধপাত তথা ধপাতৰ কুব্যৱহাৰৰ পৰা সুৰক্ষিত তথা আঁতৰাই ৰখাৰ উদ্দেশ্যে শিক্ষানুষ্ঠানসমূহ ধপাতমুক্ত কৰাৰ বাবে এটা ৰাষ্ট্ৰজোৰা বিধি বলৱৎকাৰী অভিযান মুকলি কৰিছে। বিশ্ব ধপাতমুক্ত দিৱসৰ সৈতে সংগতি ৰাখি অহা ৩১ মে'ত মাহজোৰা এই অভিযান আৰম্ভ কৰা হ'ব আৰু ২৬ জুনত ইয়াৰ সামৰণি পৰিব। এই অভিযানৰ অধীনত শিক্ষানুষ্ঠানসমূহৰ পৰা ১০০ গজৰ ভিতৰত ধপাতৰ বিক্ৰীৰ ক্ষেত্ৰত কেতবোৰ বাধা নিষেধ আৰোপ কৰা হ'ব। এই নিষেধাজ্ঞাসমূহ অমান্য কৰিলে ল'বলগীয়া ব্যৱস্থাৱলী সন্দৰ্ভত এটা মানসম্পন্ন কাৰ্যপ্ৰণালী বিকশাই তুলিবলৈ মন্ত্ৰ্যালয়ে ৰাজ্য তথা কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ প্ৰতি আহ্বান জনাইছে। মন্ত্ৰ্যালয়ে লগতে ছাত্ৰ-ছাত্ৰী তথা জনসাধাৰণক ধপাত ব্যৱহাৰৰ কুপ্ৰভাৱৰ বিষয়ে সজাগ কৰাৰ উদ্দেশ্যে মাই গভ মঞ্চত এটা কুইজৰ শিতানো মুকলি কৰিছে। বিদ্যালয় আৰু মহাবিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে সুৰক্ষিত আৰু স্বাস্থ্যসন্মত পৰিৱেশ গঢ়ি তোলাৰ লগতে দেশৰ যুৱপ্ৰজন্মক ধপাতৰ কুপ্ৰভাৱৰ পৰা মুক্ত কৰাৰ উদ্দেশ্যে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে।

০০০০০০০০

আই পি এল টি টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাত আজি জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত পঞ্জাব কিংছ, দেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত কালি লক্ষ্ণৌৰ একানা ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক ৪২ ৰানত পৰাস্ত কৰে। ২৩২ ৰানৰ বিজয় লক্ষ্যৰে খেলিবলৈ লোৱা বেংগালুৰুৰ দলটোৱে

নিৰ্ধাৰিত অভাৰ শেষ হ'বলৈ এটা বল বাকী থকা অৱস্থাত আটাইকেইটা উইকেট হেৰুৱাই ১৮৯ ৰানহে কৰিবলৈ সমৰ্থ হয়।

ইয়াৰ পূৰ্বে ছানৰাইজাৰ্ছ হায়দৰাবাদে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ২৩১ ৰান সংগ্ৰহ কৰে।

oooooo

ভাৰতৰ তাৰকা খেলুৱৈ কিদাম্বি শ্ৰীকান্তে কুৱালালামপুৰত চলি থকা মালয়েছিয়া মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ ফাইনেলত প্ৰৱেশ কৰিছে। ছেমিফাইনেলত তেওঁ আজি জাপানৰ যুশ্বি তানাকাক ২১-১৮, ২৪-২২ গেমত পৰাজিত কৰে। এই জয়ৰ জৰিয়তে কিদাম্বি শ্ৰীকান্ত চলিত বছৰত ফাইনেলত প্ৰৱেশ কৰা প্ৰথমগৰাকী ভাৰতীয় খেলুৱৈ হিচাপে পৰিগণিত হ'ল।

ooooo

**সমাপ্ত**